# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

বিজেপিৰ সদস্যতা অভিযানৰ সৈতে সংগতি ৰাখি শিৱসাগৰৰ পুৰণি পুখুৰীত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি ভালে কেইগৰাকী নেতাই বৈঠকত অংশগ্ৰহণ কৰে। সভাত যোৰহাট লোকসভা সমষ্টিত নতুন সদস্য ভৰ্তি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। শিৱসাগৰ মণ্ডলৰ সভাপতিসকলৰ সৈতে দলৰ শীৰ্ষ নেতৃত্বই মত বিনিময় কৰাৰ লগতে সদস্য ভৰ্তি অভিযান তীব্ৰতৰ কৰাৰ বাবে ৰণকৌশল প্ৰস্তুত কৰে। উল্লেখযোগ্য যে, বিজেপিৰ সদস্য ভৰ্তি অভিযানৰ পৰিপ্ৰেক্ষিতত বৰ্তমানলৈ ৰাজ্যৰ প্ৰায় ৩৭ লাখ লোকে দলটোৰ সদস্যপদ গ্ৰহণ কৰিছে।

০০০০০০০

চৰাইদেউ জিলাৰ নৱ নিযুক্ত জিলা আয়ুক্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া নেহা যাদবে আজি আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰি জিলাখনৰ ৰাজহ ব্যৱস্থপনা সম্পৰ্ক বুজ লয়। আয়ুক্তগৰাকীয়ে চৰকাৰী কাম-কাজৰ সেৱা সমূহ নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত সম্পন্ন কৰাৰ লগতে স্বচ্চতা বজাই ৰখাৰ পোষকতা কৰে।

০০০০০০০

আয়ুস্মান ভাৰত-প্ৰধানমন্ত্ৰীৰ জন আৰোগ্য যোজনা আৰম্ভ আজি ৬বছৰ সম্পূৰ্ণ হ'ল। আজিৰ দিনটোতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনত ঝাৰখণ্ডৰ ৰাছিৰ পৰা এই আঁচনিৰ শুভাৰম্ভ কৰিছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে প্ৰতিটো পৰিয়ালক ৫লাখ টকাৰ স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অসমতো বিগত ছটা বছৰত এই আঁচনিৰ অধীনত স্বাস্থ্য সংক্ৰান্তীয় ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলক স্বাস্থ্য সম্বন্ধীয় বিভিন্ন সা-সুবিধা প্ৰদানৰ উদ্দেশ্যে আয়ুস্মান কাৰ্ড বিতৰণ কৰা হৈছে। অসমত আয়ুস্মান কাৰ্ডৰ জৰিয়তে চিকিৎসা সুবিধা লাভ কৰা ৰোগীৰ সংখ্যা ১০ লাখতকৈ অধিক হৈছে। ইফালে, প্ৰতিবছৰে এই আঁচনিৰ অধীনত ৬০০ কোটিতকৈও অধিক টকাৰ নগদ ধন ঘূৰাই দিয়া ব্যৱস্থাৰ জৰিয়তে চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। ইপিনে, মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ক্ৰমে ৬৬ লাখ আৰু ২ কোটি ৩লাখ হিতাধিকাৰী পৰিয়ালক সামৰি লোৱা হৈছে। এই আঁচনিৰ অধীনত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ ৩০০খন চিকিৎসালয়ৰ জৰিয়তে হিতাধিকাৰীসকলক নগদ বিহীন চিকিৎসা সেৱা আগবঢ়োৱা হৈছে।

ইফালে, গোলাঘাট জিলাতো এই দিৱস উদযাপন কৰা হয়। গোলঘাট নগৰৰ ৰিলাইন্স জুনিয়ৰ কলেজত এই দিৱসৰ লগত সংগতি ৰাখি আয়ুস্মান পেষক কাৰ্যসূচী পালন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰী আৰু স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ অংশগ্ৰহণেৰে এটা সমদল উলিওৱা হয়।

০০০০০০০

মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত আজি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ স্বচ্ছ ভাৰত মিছন গ্ৰামীন আৰু জলজীৱন মিছনৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। চাহ বাগিচাৰ পৰিচালক, কৰ্তৃপক্ষ আৰু অন্যান্য অংশীদাৰসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। সভাত প্ৰথমে স্বচ্ছতাই সেৱাৰ শপতগ্ৰহণ কৰা হয়। জয়ন্ত মল্লবৰুৱাই সভাখনত জলজীৱন মিছন আঁচনিৰ সফল ৰূপায়ণত বাগিচাৰ পৰিচালক আৰু মালিকসকলৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। ইয়াৰ লগতে বাগিচাৰ শ্ৰমিকসকলে যাতে দুবাৰ নিয়মিত খোৱাপানী লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ বাগিচাৰ কৰ্তৃপক্ষক তেওঁ অনুৰোধ জনায়।

ooooooo

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ বাবে বাছনি হোৱা হিতাধিকাৰীসকলক ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত আজি অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত খাদ্য, ৰাজহুৱা বিতৰণ তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকি হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকক দিহা-পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে লগতে হিতাধিকাৰীসকলক একোজন সফল উদ্যোগী হ'বলৈ শুভেচ্ছা জ্ঞাপন কৰে।

গোলঘাট জিলাতো নিৰ্বাচিত তথা পঞ্জীকৃত প্ৰাৰ্থীসকলক জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, কৃষি বিষয়া কাৰ্যালয়ৰ সভাকক্ষ, জিলা পশুপালন তথা পশু চিকিৎসা বিষয়া কাৰ্যালয়, বোকাখাট মহকুমাৰ পশু চিকিৎসা বিজ্ঞান বিদ্যালয়ত প্ৰশিক্ষণ দিয়া হ'ব। এই উপলক্ষে ৰাজ্য চৰকাৰৰ কৃষি আৰু পশুপালন বিভাগৰ মন্ত্ৰী অতুল বৰাই বোকাখাট মহকুমাৰ পশু চিকিৎসা বিজ্ঞান বিদ্যালয়ত প্ৰশিক্ষণ শিবিৰৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইপিনে, খুমতাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সভাকক্ষত প্ৰশিক্ষণ শিবিৰ মুকলি কৰে। আজিৰে পৰা ২০ অক্টোবৰলৈকে চলিবলগীয়া এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ সৰ্বমুঠ এহেজাৰ প্ৰশিক্ষাৰ্থীক কৃষি, মীনপালন, পশুপালন, সেৱা তথা অনান্য খণ্ডত প্ৰশিক্ষণ দিয়া হ'ব।

ooooooo

স্বচ্ছ ভাৰত অভিযান অংশস্বৰূপে যোৱা ১৭ ছেপ্তেম্বৰৰ পৰা দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো স্বচ্ছতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ উদ্যোগত আজি গুৱাহাটীৰ বশিষ্ঠ মন্দিৰৰ চৌহদত স্বচ্ছতা আৰু গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে চি বি চি গুৱাহাটীৰ ব্যক্তিগত পঞ্জীকৃত দল এটাই স্বচ্ছতা সম্পৰ্কীয় এখন বাটৰ নাট পৰিৱেশন কৰে।

ooooooo

সমাপ্ত